

লোকে অঞ্চলটোত পুনৰ বেদখলমুক্ত কৰিবলৈ যোৱা ১৮ ফেব্ৰুৱাৰীত অভিযান চলায় যদিও বেদখলকাৰীসকলে পৰিস্থিতি উত্তপ্ত কৰি তোলাত বন বিভাগে বেদখলকাৰীসকলক সেই ঠাই এৰি দিয়াৰ বাবে সাত দিনৰ সময় বান্ধি দি অভিযান স্থগিত ৰাখিবলগীয়া হয়।

ৰাজ্য চৰকাৰে চলোৱা উচ্ছেদ অভিযানৰ জৰিয়তে ইতিমধ্যে ২৮খন জিলাত চৰকাৰী মাটি বেদখল কৰা মুঠ ৩,৫৫০টা পৰিয়ালক উচ্ছেদ কৰা হৈছে। এই উচ্ছেদিত পৰিয়ালসমূহৰ তথ্য সদনত দাখিল কৰি ৰাজহ মন্ত্ৰী পল্লৱলোচন দাসে কয় যে ৰাজ্য চৰকাৰে চলোৱা অভিযানত কামৰূপ (মহানগৰ) জিলাত ৬১টা, হাইলাকান্দিত এটা, চৰাইদেউত ২১টা, বঙাইগাঁৱত ৩৬টা, বিশ্বনাথ চাৰিআলিত ৬৫৫টা, মঙলদৈত ৭৫০টা, মৰিগাঁৱত ৯৮টা, ধেমাজিত ৩টা, ধুবুৰীত ৮৩২টা, কামৰূপত ১৫১টা, বৰপেটাত ১৮২টা, নগাঁৱত ৩৬০টা, শিৱসাগৰত ২৮০টা, নলবাৰীত ৪৫টা, শোণিতপুৰত ৩৫টা, ডিব্ৰুগড়ত ৩২টা, গোলাঘাটত এটা আৰু ওদালগুৰিত ৩টা পৰিয়ালক উচ্ছেদ কৰা হৈছে।

আজি আৰু কাৰো অবিদিত হৈ থকা নাই যে বেদখলকাৰীৰ দৌৰাত্মাই বনাঞ্চলসমূহক সংকুচিত কৰি তুলিছে। বিধানসভাৰ বাজেট অধিৱেশনৰ সময়ত বনমন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্মই সদনত দাঙি ধৰা তথ্য মতে সম্প্ৰতি দহখন ৰাষ্ট্ৰীয় উদ্যান-অভয়াৰণ্যৰ ১৪১.৭৬ বৰ্গ কিলোমিটাৰ ভূমি বেদখলকাৰীৰ কবলত পৰিছে। বেদখল হোৱা ৰাষ্ট্ৰীয় উদ্যানকেইখন হ'ল— নামেৰী, ডিব্ৰু-ছৈখোৱা, মানাহ আৰু ওৰাং। একেদৰে বুঢ়াচাপৰি, লাওখোৱা, সোণাই-ৰূপাই, বৰনদী, আমচাং আৰু ভেৰজান-বৰাজান-পদুমনি অভয়াৰণ্যতো বেদখল হৈছে। ২২০ বৰ্গ কিলোমিটাৰ এলেকাৰ সোণাই-ৰূপাই অভয়াৰণ্যত বেদখলৰ কবলত পৰিছে সৰ্বাধিক পৰিমাণৰ মাটি। অভয়াৰণ্যখনৰ ৮৫ বৰ্গ কিলোমিটাৰ ভূমি বেদখলকাৰীৰ কবলত পৰিছে। ৫০০ বৰ্গ কিলোমিটাৰ ব্যাসাৰ্ধৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানত ৩১ বৰ্গ কিলোমিটাৰ মাটিত বেদখল হৈছে। তেনেদৰে নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰ ৫ বৰ্গ কিলোমিটাৰ, ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ ৩.৭১ বৰ্গ কিলোমিটাৰ, ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ ২.৩৫ বৰ্গ কিলোমিটাৰ, বুঢ়াচাপৰি অভয়াৰণ্যৰ ৫.০৮ বৰ্গ কিলোমিটাৰ, লাওখোৱা অভয়াৰণ্যৰ ৩ বৰ্গ কিলোমিটাৰ, বৰনদী অভয়াৰণ্যৰ ৪ বৰ্গ কিলোমিটাৰ, আমচাং অভয়াৰণ্যৰ ২.২৮ বৰ্গ কিলোমিটাৰ আৰু ভেৰজান-বৰাজান-পদুমনি অভয়াৰণ্যৰ ০.৩৪ বৰ্গ কিলোমিটাৰ ভূমি বেদখলকাৰীৰ কবলত পৰিছে। যোৱা ২০১৪ চনৰ ডিচেম্বৰ মাহ পৰ্যন্ত হোৱা এই বেদখলৰ তথ্য দাঙি ধৰি মন্ত্ৰী ব্ৰহ্মই সদনৰ মজিয়াত কয়— 'বন সুৰক্ষা আইনৰ অধীনত ৰাষ্ট্ৰীয় উদ্যান-অভয়াৰণ্যসমূহ বেদখলমুক্ত কৰিবলৈ সময়ে সময়ে উচ্ছেদ অভিযান চলাই থকা হৈছে। ইতিমধ্যে মানাহ , ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান, বুঢ়াচাপৰি আৰু আমচাং অভয়াৰণ্যৰ পৰা উচ্ছেদ কৰি খেদি পঠিওৱা হৈছে সৰহসংখ্যক বেদখলকাৰীক। পৰ্যায়ক্ৰমে বাকী বেদখলকাৰীসকলকো উচ্ছেদ কৰা হ'ব।'

পিছে অকল বনাঞ্চলসমূহেই যে বেদখলকাৰীৰ কবলত পৰিছে, তেনে নহয়। ৰাজ্যখনত থকা বিভিন্ন সত্ৰ তথা মঠ-মন্দিৰৰ এক বৃহৎ অংশ ভূমি এতিয়াও বেদখলকাৰীৰ কবলত আছে। ৰাজহ বিভাগৰ মন্ত্ৰী পল্লৱ লোচন দাসে বিধানসভাত দাঙি ধৰা তথ্য মতে ৰাজ্যখনৰ মুঠ ৩১খন জিলাৰ ভিতৰত ৮খন জিলাতেই সত্ৰ, মঠ-মন্দিৰৰ ৪২ লাখ ৬৫ হাজাৰ ৬৪৭ বিঘা ১২ কঠা ৪ লেচা মাটি বেদখলকাৰীৰ কবলত আছে। এনে পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে এই বেদখলকৃত ভূমিসমূহ পৰ্যায়ক্ৰমে বেদখলমুক্ত কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিব বুলি কোৱা হৈছে। ❑❑



শিল্পী দিৱসত ৰূপকোঁৰৰলৈ শ্ৰদ্ধাঞ্জলি, ভোলাগুৰি চাহ বাগিচাত



মে-ডাম-মে-ফীত মুখ্য মন্ত্ৰী, ধেমাজিত



অ



নেতাজীৰ জন্ম দিৱসৰ অনুষ্ঠান, ডিব্ৰুগড়ত



চিলাৰায় দিৱসত বীৰ চিলাৰা



গোভা ৰজাক মুখ্য মন্ত্ৰীয়ে চেক প্ৰদানৰ মুহূৰ্তত



আলি-আয়ে-লৃগাং অ




শিল্পী ৰমেন চৌধুৰী, মৃদুলা দাসক বঁটা প্ৰদানৰ মুহূৰ্তত









অসম সাহিত্য সভাৰ শতবৰ্ষীয় অনুষ্ঠানত মুখ্য মন্ত্ৰী সোণোৱাল, শিৱসাগৰত



ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱৰ উদ্বোধনী অনুষ্ঠান, শংকৰদেৱ লাক্ষেত্ৰত



াৰায়লৈ শ্ৰদ্ধাঞ্জলি, বঙাইগাঁৱত




শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশন, গহপুৰত



ডিফুত কাৰ্বি যুৱ মহোৎসৱত মুখ্য মন্ত্ৰী



ং অনুষ্ঠানত মুখ্য মন্ত্ৰী, মাজুলীত





শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ছহিদ পৰিয়ালৰ একাংশ, মুখ্য মন্ত্ৰী সোণোৱাল আৰু সতীৰ্থবৰ্গৰ ছহিদলৈ শ্ৰদ্ধাঞ্জলি



# শুদ্ধ এন আৰ চিৰ বাবে চৰকাৰ দায়বদ্ধ ঃ মুখ্য মন্ত্ৰী

ৰাজ্যৰ খিলঞ্জীয়া নাগৰিকসকলৰ স্বাৰ্থত শুদ্ধ ৰূপত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰস্তুতকৰণৰ ক্ষেত্ৰত প্ৰয়াস অব্যাহত ৰাখিছে ৰাজ্য চৰকাৰে। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী অৰ্থাৎ এন আৰ চি প্ৰস্তুতকৰণৰ প্ৰক্ৰিয়াটো বাধাহীনভাৱে সম্পন্ন কৰাৰ বিষয়টোত বিশেষ গুৰুত্ব আৰোপ কৰিছে মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। অসমৰ জনসাধাৰণক এখন শুদ্ধ এন আৰ চি প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰ দায়বদ্ধ বুলি ঘোষণা কৰিছে মুখ্য মন্ত্ৰীগৰাকীয়ে। এন আৰ চি উন্নীতকৰণৰ প্ৰক্ৰিয়াটোত কোনো ধৰণৰ আপোচ কৰা নহ'ব বুলিও তেওঁ স্পষ্ট কৰি দিছে। এন আৰ চি উন্নীতকৰণ প্ৰক্ৰিয়াটোৰ ক্ষেত্ৰত আহি পৰা বিভিন্ন বাধা আঁতৰোৱাৰ প্ৰসংগক লৈ মুখ্য মন্ত্ৰীগৰাকীয়ে শেহতীয়াকৈ দিল্লীত আলোচনাত মিলিত হয় দেশৰ মহাপঞ্জীয়কৰ সৈতে। দিল্লীস্থিত অসম ভৱনত যোৱা ২০ ফেব্ৰুৱাৰীত প্ৰায় দুঘণ্টা ধৰি অনুষ্ঠিত এই বৈঠকত এন আৰ চিৰ সৈতে জড়িত কেতবোৰ গুৰুত্বপূৰ্ণ বিষয় বিস্তৃতভাৱে পৰ্যালোচনা কৰা হয়। বৈঠকৰ অন্তত মুখ্য মন্ত্ৰী সোণোৱালে সাংবাদিকক কয় যে নাগৰিকপঞ্জী উন্নীতকৰণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কেন্দ্ৰৰ পৰা যাৱতীয় সহায়-সহযোগিতা লাভ কৰি আহিছে। এখন শুদ্ধ এন আৰ চি প্ৰদানৰ ক্ষেত্ৰত ৰাজ্যবাসীক দিয়া প্ৰতিশ্ৰুতি পালনৰ বাবে ৰাজ্য চৰকাৰ দৃঢ়প্ৰতিজ্ঞ। উল্লেখ্য যে নাগৰিকপঞ্জী উন্নীতকৰণৰ বাবে সংশোধিত প্ৰাক্কলিত ব্যয় ৯০৫.৭২ কোটি টকাৰ ক্ষিপ্ৰভাৱে মঞ্জুৰি প্ৰদানৰ ব্যৱস্থা কৰিবলৈ মুখ্য মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় বিত্তমন্ত্ৰী অৰুণ জেট্‌লীক অনুৰোধ জনাইছে। স্মৰ্তব্য যে ৰাজ্যখনৰ থলুৱা বাসিন্দাসকলৰ স্বাৰ্থক প্ৰাধান্য দি এন আৰ চি উন্নয়ন প্ৰক্ৰিয়াটো সম্পূৰ্ণ শুদ্ধ ৰূপত সম্পন্ন কৰাত গুৰুত্ব দিছে মুখ্য মন্ত্ৰীয়ে। এই কথাৰ স্পষ্ট প্ৰতিফলন ঘটাই তেওঁ শপত গ্ৰহণৰ পাছতেই মুখ্য মন্ত্ৰীৰূপে প্ৰথম দিনটোৰ প্ৰথমটো চৰকাৰী কাৰ্যসূচী হিচাপে এন আৰ চিৰ ৰাজ্যিক সমন্বয়কৰ কাৰ্যালয় পৰিদৰ্শন কৰিছিল। ইফালে শুদ্ধ ৰূপত এন আৰ চি প্ৰস্তুত কৰাটো সুনিশ্চিতকৰণৰ উদ্দেশ্যে শীৰ্ষ বিষয়াবৰ্গক প্ৰতিখন জিলালৈ গৈ নথি-পত্ৰ পৰীক্ষণ সম্পৰ্কীয় কাম-কাজৰ তদাৰক কৰিবলৈ মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নিৰ্দেশ দিছে। এন আৰ চি উন্নীতকৰণৰ বাবে ৰাজ্যখনৰ জনসাধাৰণে দাখিল কৰা ৬০৫ কোটি নথি-পত্ৰ পৰীক্ষণৰ প্ৰক্ৰিয়াটো সঠিক ৰূপত সম্পন্ন কৰাত বিশেষ গুৰুত্ব দিছে মুখ্য মন্ত্ৰীগৰাকীয়ে। নাগৰিকপঞ্জীখন ত্ৰুটি-বিচ্যুতিমুক্ত ৰূপত প্ৰকাশ কৰাৰ সমগ্ৰ প্ৰক্ৰিয়াটোৰ অংশ হিচাপে জিলা উপায়ুক্তসকলক নিজ নিজ জিলাৰ এন আৰ চি উন্নীতকৰণৰ কামত জড়িত বিষয়াবৰ্গৰ সৈতে প্ৰতি সপ্তাহত মিলিত হৈ কাম-কাজৰ অগ্ৰগতিৰ বুজ ল'বলৈও মুখ্য মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিছে। নাগৰিকপঞ্জী উন্নীতকৰণৰ সমগ্ৰ প্ৰক্ৰিয়াটোক সঠিক ৰূপত আগুৱাই নিয়াৰ উদ্দেশ্যে মহাপঞ্জীয়কৰ এটা শাখা কাৰ্যালয় অসমত স্থাপন কৰি এগৰাকী উপ-পঞ্জীয়ক পৰ্যায়ৰ বিষয়াক নিয়োগ কৰি এন আৰ চিৰ কাম-কাজ তদাৰকৰ দায়িত্ব অৰ্পণৰ ব্যৱস্থা কৰিবলৈও কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনায় মুখ্য মন্ত্ৰীগৰাকীয়ে। ৰাজ্যিক সচিবালয়ৰ নিজ কাৰ্যালয় কক্ষত যোৱা পাঁচ জানুৱাৰীত অনুষ্ঠিত এখন বৈঠকত মুখ্য মন্ত্ৰী সোণোৱালে এন আৰ চি উন্নীতকৰণৰ শেহতীয়া স্থিতি সন্দৰ্ভত পৰ্যালোচনা কৰিছিল। এন আৰ চি উন্নীতকৰণৰ বাবে পুঁজিৰ কোনো নাটনি নহয় বুলিও মুখ্য মন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰি দিছে। সম্পূৰ্ণ শুদ্ধ ৰূপত এন আৰ চি প্ৰস্তুতকৰণত বিশেষ গুৰুত্ব দিয়া মুখ্য মন্ত্ৰীগৰাকীয়ে সময়ে সময়ে বিভিন্ন জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলৰ সৈতে বৈঠকত মিলিত হৈ যাৱতীয় কাম-কাজৰ অগ্ৰগতিৰ বুজ লৈ আহিছে। উল্লেখ্য যেএখন শুদ্ধ এন আৰ চি প্ৰস্তুত কৰাৰ উদ্দেশ্যে এই কামত জড়িত বিষয়া-কৰ্মচাৰীসকলক নিষ্ঠা সহকাৰে নিজৰ দায়িত্ব পালন কৰিবলৈ মুখ্য মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিছে। খিলঞ্জীয়াসকলৰ স্বাৰ্থ সুৰক্ষাৰ বাবে ৰাজ্য চৰকাৰে এন আৰ চি উন্নীতকৰণত অগ্ৰাধিকাৰ দিয়াৰ পৰিপ্ৰেক্ষিতত এন আৰ চি উন্নীতকৰণত জড়িত বিষয়া-কৰ্মচাৰীৰ কৰ্তব্যৰ গাফিলতি সহ্য কৰা নহ'ব বুলিও তেওঁ স্পষ্ট কৰি দিছে।❒❒

# ধুবুৰী, নগাঁও চিকিৎসা মহাবিদ্যালয়ৰ আধাৰশিলা




আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকসকলৰ বাবেও যাতে অসমত কৰ্কট ৰোগৰ সু-চিকিৎসা সহজলভ্য হয় তাৰ বাবে ৰাজ্য চৰকাৰে দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যখনৰ ভালেসংখ্যক কৰ্কট ৰোগী চিকিৎসাৰ বাবে ৰাজ্যৰ বাহিৰলৈ যাবলগীয়া হয়। ফলত যথেষ্ট ধন আৰু সময়ো খৰচ হয়। সেইবাবে ৰাজ্যৰ ভিতৰতে যাতে কৰ্কট ৰোগৰ চিকিৎসা সাধাৰণ শ্ৰেণীৰ লোকেও লাভ কৰিবলৈ সক্ষম হয়, তাৰ বাবে ৰাজ্য চৰকাৰে সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত যোৱা ১৭ ফেব্ৰুৱাৰীত কৰ্কট চিকিৎসালয় উদ্বোধন কৰি দিয়া ভাষণত এই মন্তব্য কৰে মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। কৰ্কট চিকিৎসালয়ৰ লগতে অমৃত ফাৰ্মাচীৰ ই-শুভাৰম্ভণি উপলক্ষে আয়োজিত সভাত মুখ্য মন্ত্ৰীগৰাকীয়ে লগতে কয় যে এই নতুন কৰ্কট চিকিৎসালয়খনে ৰাজ্যখনৰ আৰ্থিকভাৱে দুৰ্বল লোকসকলৰ বাবে আশাৰ ৰেঙনি কঢ়িয়াই আনিছে।

অনুষ্ঠানত দিয়া ভাষণত কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ মন্ত্ৰী জে পি নাড্ডাই এই নতুন কৰ্কট চিকিৎসালয়খনক ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানৰ মৰ্যাদা দিয়া হ'ব বুলি উল্লেখ কৰে। ৰাজ্যখনৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ ৰোগীক সকলো জিলা চিকিৎসালয়ত প্ৰয়োজন সাপেক্ষে বিনামূলীয়া ডায়েলিছিছৰ সুবিধা আগবঢ়োৱা হ'ব বুলিও তেওঁ মন্তব্য কৰে। ইফালে ডিব্ৰুগড়, তেজপুৰ, গুৱাহাটী, শিলচৰ আৰু বৰপেটা চিকিৎসা মহাবিদ্যালয়ত ১৭ ফেব্ৰুৱাৰীৰ পৰাই অমৃত ফাৰ্মাচী আৰম্ভ কৰা হৈছে। এই ফাৰ্মাচীত হৃদৰোগকে ধৰি বিভিন্ন ধৰণৰ জটিল ৰোগৰ ঔষধসমূহ ৰেহাই মূল্যত উপলব্ধ হ'ব আৰু ইয়াৰ জৰিয়তে উপকৃত হ'ব সমাজৰ আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকসকল। অনুষ্ঠানত ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো ভাষণ দিয়ে। আনহাতে ৰাজ্যখনৰ জনসাধাৰণক কম খৰচতে উন্নতমানৰ চিকিৎসা সেৱা আগবঢ়োৱাৰ দিশত এক নতুন মাত্ৰা প্ৰদানেৰে ধুবুৰী চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভণি কৰে মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডা আৰু ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুঠ ১০৮ বিঘা ভূমিক সামৰি ১৮৯ কোটি টকা ব্যয় সাপেক্ষে এই চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণ কাৰ্য তিনি বছৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। বৰ্তমানে থকা ২০০ বিছনাযুক্ত ধুবুৰী জিলা আৰু ৰেফাৰেল হস্পিতালখন এই চিকিৎসা মহাবিদ্যালয়ত চামিল হ'ব। চিকিৎসা মহাবিদ্যালয়খন নিৰ্মাণৰ শুভাৰম্ভণি অনুষ্ঠানত দিয়া ভাষণত মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে ধুবুৰীৰ সৰ্বাংগীণ উন্নতিৰ বাবে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ প্ৰক্ৰিয়াৰ আৰম্ভণি ঘটা ১৭ ফেব্ৰুৱাৰীৰ দিনটো ধুবুৰী জিলাবাসীৰ বাবে এক উল্লেখযোগ্য দিন বুলি অভিহিত কৰি মুখ্য মন্ত্ৰীগৰাকীয়ে বহু যুগ ধৰি শান্তিপূৰ্ণ সহাৱস্থানেৰে বসবাস কৰা বাবে জিলাখনৰ জনগণক ধন্যবাদ জনায়। একেটা অনুষ্ঠানত দিয়া ভাষণত কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাই কয় যে ৰাজ্যখনৰ ১৬ খন জিলা হস্পিতালত ৫০০ বিধ ঔষধ আৰু ৮৫টা পৰীক্ষা বিনামূলীয়া কৰা হ'ব। এই সুবিধা সামূহিক স্বাস্থ্য কেন্দ্ৰ আৰু প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰসমূহতো পৰ্যায়ক্ৰমে উপলব্ধ কৰোৱা হ'ব। উক্ত অনুষ্ঠানত দিয়া ভাষণত ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে ধুবুৰী চিকিৎসা মহাবিদ্যালয় হস্পিতালৰ বাবে অধিগ্ৰহণ কৰা ভূমিৰ বাবদ পাবলগীয়া ক্ষতিপূৰণ অহা ৩১ মাৰ্চৰ ভিতৰত ভূমিৰ গৰাকীসকলে লাভ কৰিব। ধুবুৰী চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য দ্ৰুত গতিত চলোৱা হ'ব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণ প্ৰক্ৰিয়া অহা তিনি বছৰৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব। ইফালে নগাঁও জিলাকে ধৰি সমগ্ৰ মধ্য অসমৰ বাবে আশাৰ বতৰা কঢ়িয়াই নগাঁও জিলাত আনুষ্ঠানিকভাৱে আৰম্ভ হ'ল নগাঁও চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য। নগাঁও চহৰৰ সমীৰ্তী ঐতিহ্যমণ্ডিত ম'হঘুলিত যোৱা ১৮ ফেব্ৰুৱাৰীত ভূমি পূজনেৰে নতুন চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভণি ঘটায় কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডা আৰু ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ❐❐

# ৰাজ্যত পথ যোগাযোগ উন্নত কৰাত গুৰুত্ব ৰাজ্য চৰকাৰৰ

মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰখন শাসনলৈ অহাৰ পৰাই ৰাজ্যৰ পথ-যোগাযোগ ব্যৱস্থা উন্নীতকৰণত যথেষ্ট গুৰুত্ব প্ৰদান কৰি আহিছে। ইয়াৰ ফলস্বৰূপে আগন্তক তিনি বছৰৰ ভিতৰত সৰ্বমুঠ ১২ হাজাৰ কিঃ মিঃ পথ নিৰ্মাণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে গড়কাপ্তানী বিভাগে। এই লক্ষ্য পূৰণ হ'লে ২৫০জন লোকৰ জনবসতি থকা সকলো অঞ্চলকেই পকীপথ যোগাযোগ ব্যৱস্থাৰে সামৰিব পৰা যাব। অলপতে এক সংবাদমেলযোগে এই কথা সদৰী কৰে অসম চৰকাৰৰ গড়কাপ্তানী মন্ত্ৰী পৰিমল শুক্লবৈদ্যই। এই লক্ষ্যত উপনীত হ'ব পৰাকৈ ডি পি আৰ প্ৰস্তুতকে ধৰি আনুষংগিক কাম-কাজৰ বাবে ২৪টা কনচালটেন্সীক ইতিমধ্যে দায়িত্ব দিয়াৰ কথা মন্ত্ৰীজনে ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে বিগত চৰকাৰৰ কাৰ্যকালত অসমলৈ অহা কেন্দ্ৰীয় পথ পুঁজিৰ ৪০০ কোটি টকাৰ বিপৰীতে বৰ্তমান চৰকাৰখন শাসনলৈ অহাৰ পিছত এই পৰিমাণ ৮০০ কোটি টকালৈ বৃদ্ধি পাইছে। আনহাতে পৰৱৰ্তী বছৰৰ বাবেও ৯০০ কোটি টকাৰ ডি পি আৰ জমা থকাৰ কথাও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে ৰাজ্যিক পৰিকল্পনাৰ অধীনত পথ মেৰামতিৰ নামত ২০০০ কোটি টকাৰ আন এক পুঁজি ইতিমধ্যে ধাৰ্য কৰা হৈছে। এই পুঁজিৰে ৰূপায়ণ কৰিবলগীয়া 'মুখ্য মন্ত্ৰীৰ পথ নিৰ্মাণ আৰু পুনৰ নিৰ্মাণ' যোজনাৰ অধীনত ২০১৭-১৮ বৰ্ষত প্ৰত্যেকজন বিধায়কক নিজ সমষ্টিৰ বাবে ৫ কোটিকৈ টকা আবণ্টন দিয়াৰ পৰিকল্পনাৰ কথা উল্লেখ কৰি পুনৰ কয় যে শীঘ্ৰে যাতে নিজ সমষ্টিৰ বাট-পথ মেৰামতি কৰিব পাৰে তাৰ বাবে দুই কোটি টকা প্ৰত্যেকজন বিধায়কক ইতিমধ্যে দিয়া হৈছে আৰু আৰ আই ডি এফৰ অধীনত আৰু তিনি কোটিকৈ টকা দিয়াৰ ব্যৱস্থা কৰা হ'ব। তেওঁ গড়কাপ্তানী বিভাগক অনলাইন ই-প'ৰ্টেললৈ উন্নীত কৰাৰ কথাও উল্লেখ কৰে। আনহাতে সংবাদমেলখনত মন্ত্ৰীগৰাকীয়ে সদৰী কৰে যে মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰখন শাসনলৈ অহাৰ পিছত ৰাজ্যখনত ৫০২ কিঃ মিঃ নতুন পথ, ১০৬খন পকী দলং নিৰ্মাণ কৰাৰ বিপৰীতে ৬০০ কিঃ মিঃ পথ আৰু ৪০খন কাঠৰ দলং মেৰামতি কৰা হৈছে। ই ৰাজ্যখনৰ পথ-যোগাযোগৰ ক্ষেত্ৰত নিঃসন্দেহে এক যুগান্তকাৰী পদক্ষেপ।❒❒



## স্বাস্থ্য খণ্ডত নৱ সংযোজন

# অটল অমৃত অভিযান




স্বাস্থ্যই পৰম সম্পদ। স্বাস্থ্যৰ প্ৰতি সচেতন হ'লেহে আজিৰ নৱপ্ৰজন্ম উন্নতিৰ দিশত ধাৱমান হ'ব পাৰিব। স্বাস্থ্য খণ্ডৰ সামগ্ৰিক বিকাশ আৰু উন্নয়নৰ বাবে অসম চৰকাৰে কল্যাণকামী পদক্ষেপ গ্ৰহণ কৰিছে। বিশেষকৈ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা ৰোগীসকলৰ চিকিৎসাৰ ক্ষেত্ৰত চৰকাৰখন শাসনলৈ অহাৰ পিছৰ পৰাই গুৰুত্ব দি আহিছে। ইতিমধ্যে ২০১৬-১৭ বিত্তীয় বৰ্ষৰ বাজেট অধিৱেশনত স্বাস্থ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অটল-অমৃত যোজনা নামৰ এক স্বাস্থ্য নিশ্চিত আঁচনি ৰূপায়ণৰ প্ৰস্তাৱ আগবঢ়াইছিল। সেই উদ্দেশ্য আগত ৰাখি যোৱা ২৫ ডিচেম্বৰত ভাৰতবৰ্ষৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী ভাৰত ৰত্ন অটল বিহাৰী বাজপেয়ীৰ জন্মদিনৰ দিনাই অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে ৰাইজলৈ উক্ত অটল অমৃত অভিযান আঁচনিখন উৎসৰ্গা কৰে। ৰাজ্য চৰকাৰৰ এই বীমা আঁচনিয়ে ৰাজ্যখনৰ তিনি কোটি জনসাধাৰণক সামৰি ল'ব। দৰিদ্ৰ সীমাৰেখাৰ তলৰ আৰু দৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ পৰিয়াল যাৰ বাৰ্ষিক আয় ৫ লাখতকৈ কম, তেনে পৰিয়ালৰ প্ৰতিজন সদস্যই উক্ত আঁচনিখনৰ সুবিধা লাভ কৰিব। উক্ত আঁচনিৰ অধীনত প্ৰত্যেক ৰোগীয়ে দুই লাখ টকা পৰ্যন্ত চিকিৎসা সাহায্য লাভ কৰিব। হৃদৰোগ, নৱজাতকৰ ৰোগ, স্নায়ৱিক সমস্যা, জুয়ে পোৰা, বৃক্ক আৰু কৰ্কট ৰোগক সামৰি ৪৩৬ টা চিকিৎসা পদ্ধতিক এই ৬ টা শাখাত বিভক্ত কৰা হৈছে। এই বীমা আঁচনিখনৰ জৰিয়তে উক্ত ছটা ৰোগৰ অন্তৰ্ভুক্ত মুঠ ৪৩৬টা চিকিৎসা পদ্ধতিৰ বিনামূলীয়া চিকিৎসা সেৱা লাভ কৰিবলৈ সক্ষম হ'ব। উক্ত আঁচনিখনৰ বাবদ ৰাজ্য চৰকাৰক প্ৰতি বছৰে ২০০ কোটি টকাৰ প্ৰয়োজন হ'ব। উক্ত অটল অমৃত অভিযানৰ অসম ৰাজ্যৰ অন্তৰ্ভুক্ত চিকিৎসালয়সমূহ হ'ল ঃ—

ডাউন টাউন হস্পিতাল, ইণ্টাৰনেচনেল হস্পিতাল, শংকৰদেৱ নেত্ৰালয়, ডাঃ বি বৰুৱা কেন্সাৰ ইনষ্টিটিউট, জি এন আৰ চি/আই এন এছ, হায়াট হস্পিতাল, নৰ্থ-ইষ্ট কেন্সাৰ হস্পিতাল এণ্ড ৰিচাৰ্চ ইনষ্টিটিউট আৰু ৰাজ্যৰ সকলো চৰকাৰী চিকিৎসালয় আৰু মেডিকেল কলেজসমূহ। ইয়াৰ উপৰি ভাৰতবৰ্ষৰ কেইবাখনো হস্পিতালত এই অটল অমৃত অভিযানৰ অধীনত চিকিৎসাসেৱা লাভ কৰিবলৈ সক্ষম হ'ব।

**কেনেকৈ পাব আঁচনিখনৰ সুবিধা—**

যিসকলৰ বছৰেকীয়া আয় ৫ লাখ টকাতকৈ কম, দৰিদ্ৰ সীমাৰেখাৰ তলৰ আৰু ওপৰৰ প্ৰতিজন ব্যক্তিয়ে বছৰত দুই লাখ টকাৰ স্বাস্থ্য বীমা আঁচনিৰ সুবিধা লাভ কৰিব। ইয়াৰ বাবে প্ৰতিজন ব্যক্তিক স্বাস্থ্য বিভাগৰ ফালৰ পৰা এখনকৈ স্বাস্থ্য বীমা কাৰ্ড দিয়া হ'ব। সেই কাৰ্ডখনৰ যোগেদি ৰোগীজনে অসমৰ লগতে দেশৰ সকলো চৰকাৰী-বেচৰকাৰী চিকিৎসালয়ত দুই লাখ টকাৰ বিনামূলীয়া চিকিৎসা সেৱা লাভ কৰিব পাৰিব। এই আঁচনিৰ প্ৰ-পত্ৰ ইতিমধ্যে এন আৰ এইচ এমৰ ৱেবছাইটত উপলব্ধ কৰা হৈছে। অটল অমৃত অভিযান আঁচনিখন নগদ ধনবিহীন হিচাপে অহা এক এপ্ৰিলৰ পৰা আৰম্ভ কৰা হ'ব যদিও স্বাস্থ্য বিভাগে এক এপ্ৰিল পৰ্যন্ত ৰোগীসকলৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। এই ব্যৱস্থা অনুসৰি অতি জৰুৰীকালীন অৱস্থাত ৰোগী এজনক চৰকাৰৰ ফালৰ পৰা প্ৰাৰম্ভিক চিকিৎসাৰ বাবে ২৫ হাজাৰ টকা প্ৰদান কৰা হ'ব। পৰৱৰ্তী সময়ত ৰোগীজনৰ আত্মীয়ই চিকিৎসা সম্পৰ্কীয় ব্যয়ৰ সকলো তথ্য দাখিল কৰিলে দিবলৈ বাকী থকা ১ লাখ ৭৫ হাজাৰ টকা লাভ কৰিব। এনে বৃহৎ স্বাস্থ্য সম্পৰ্কীয় আঁচনি ৰূপায়ণ কৰা অসমেই হৈছে প্ৰথমখন ৰাজ্য। উক্ত আঁচনিখন সফল ৰূপায়ণৰ যোগেদি সকলো ব্যক্তিলৈ গুণগত চিকিৎসাসেৱা আগবঢ়োৱাৰ লগতে সকলো ব্যক্তিৰ শাৰীৰিক তথা মানসিক সুস্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত বৰঙণি যোগাব। উল্লেখ্য যে এই অটল অমৃত অভিযানৰ সুবিধা চৰকাৰী খণ্ডৰ কৰ্মচাৰীয়ে লাভ কৰিব নোৱাৰিব। ❐❐

# মুকলি হ'ল শৰাইঘাটৰ নতুন দলং



*এই দলংখনৰ আধাৰশিলা ২০০৬ চনৰ ২২ অক্টোবৰত স্থাপন কৰা হৈছিল যদিও নিৰ্মাণ কাৰ্য সময়মতে সম্পূৰ্ণ হোৱাৰ দিশত আগবঢ়া নাছিল। কিন্তু চৰকাৰ গঠন কৰাৰ পাছতে মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নিৰ্মীয়মাণ দলংখন পৰিদৰ্শন কৰি নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট কোম্পানীটোক সময়সীমা বান্ধি দিছিল। তেওঁৰ কঠোৰ নিৰ্দেশৰ পৰিপ্ৰেক্ষিতত দলংখনৰ নিৰ্মাণ সম্পূৰ্ণ হয়।*

দীৰ্ঘদিনীয়া প্ৰতীক্ষাৰ অন্ত পেলাই মুকলি হ'ল শৰাইঘাটৰ দ্বিতীয়খন দলং। মংগলধ্বনিৰে মুখৰিত পৰিৱেশৰ মাজত ২৯ জানুৱাৰীত দলংখন ৰাষ্ট্ৰৰ নামৰ উৎসৰ্গা কৰে কেন্দ্ৰীয় পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ তথা জাহাজ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে। দলংখন মুকলি কৰি দিয়া ভাষণত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অসমৰ পথ যোগাযোগ ব্যৱস্থা উন্নয়নৰ উদ্দেশ্যে কেইবাটাও অভিলাষী প্ৰকল্প-আঁচনি ৰূপায়ণৰ কথাও ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যখনৰ পথ আৰু জলপথ পৰিবহণ ব্যৱস্থাৰ ক্ষিপ্ৰ উন্নয়নৰ বাবে মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালে জনোৱা অনুৰোধৰ প্ৰতি সঁহাৰি জনাই কেন্দ্ৰীয় চৰকাৰে অসমত পথ নিৰ্মাণৰ বাবে এক লাখ কোটি টকাতকৈও অধিক পুঁজি ব্যয় কৰিব। আনহাতে ৰাজ্যখনৰ আভ্যন্তৰীণ জল পৰিবহণ ব্যৱস্থা উন্নত কৰাৰ বাবে ২০০০ কোটি টকা ব্যয় কৰাৰ বাবে কেন্দ্ৰই লোৱা সিদ্ধান্তৰ কথাও তেওঁ সদৰী কৰে। ৰাজ্যখনত পথ যোগাযোগ ব্যৱস্থা উন্নীতকৰণৰ প্ৰক্ৰিয়াটোক নতুন মাত্ৰা প্ৰদানেৰে গাডকাৰীয়ে অসমৰ ১২৫৩ কিলোমিটাৰ পথক ৰাষ্ট্ৰীয় ঘাইপথ হিচাপে ঘোষণা কৰাৰ লগতে ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে ১৫০০০ কোটি টকা ব্যয় কৰিব বুলি জনায়। আনহাতে কেন্দ্ৰীয় পথ পুঁজিৰ পৰা অনুমোদনৰ সীমা পূৰ্বৰ ৪৫০ কোটি টকাৰ পৰা ৮০০ কোটি টকালৈ বৃদ্ধি কৰা হৈছে বুলিও তেওঁ ঘোষণা কৰে। ৰাজ্যখনত কেইবাখনো গুৰুত্বপূৰ্ণ দলং আৰু ১৪৩ কিলোমিটাৰ পথ নিৰ্মাণ আৰু ঘাইপথৰ বাবে এন এইচ ডি চি এলে অহা দুবছৰত ৮ হাজাৰ কোটি টকা বিনিয়োগ কৰিব। এই প্ৰকল্পসমূহৰ ভিতৰত শিলচৰৰ ওচৰৰ বদৰপুৰ ঘাটত ৪৪ নং ৰাষ্ট্ৰীয় ঘাইপথত বৰাক নদীৰ ওপৰত দলং নিৰ্মাণ, ১২৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ ধুবুৰী আৰু ফুলবাৰী সংযোগী দলং নিৰ্মাণ, ইষ্ট-ৱেষ্ট কৰিড'ৰৰ ৫৪ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বালচেৰা-হাৰাং গাজাও অংশৰ চাৰিলেনযুক্তকৰণ, গহপুৰৰ পৰা নুমলীগড় সংযোগীকৈ ব্ৰহ্মপুত্ৰৰ ওপৰত চাৰিলেনযুক্ত দলং আৰু ধলাবাৰীৰ পৰা জামুগুৰিলৈ জিয়াভৰলী নৈৰ ওপৰত দলং নিৰ্মাণ অন্যতম। আনহাতে ২০ হাজাৰ কোটি টকা ব্যয়েৰে ৰাজ্যখনৰ ১৭২২ কিলোমিটাৰ পথ নিৰ্মাণৰ বাবে বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰি থকা হৈছে বুলিও তেওঁ উল্লেখ কৰে। শদিয়াৰ পৰা ধুবুৰীলৈ ব্ৰহ্মপুত্ৰৰ বুকুত খনন চলোৱা হ'ব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে খননৰ জৰিয়তে আহৰণ কৰা বালি ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে এক্সপ্ৰেছ হাইৱে' নিৰ্মাণৰ কামত ব্যৱহাৰ কৰা হ'ব। শিৱসাগৰৰ পৰা দিচাংমুখ টেকেলিফুটা-ঢকুৱাখনা-উত্তৰ লখিমপুৰ-মাজুলী হৈ যোৰহাট সংযোগী পথ প্ৰকল্পত কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে অনুমোদন জনাইছে। যান-জঁটৰ সমস্যা লাঘৱ কৰাৰ বাবে ব্ৰহ্মপুত্ৰৰ উত্তৰ